**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-JAN-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। মহিলা সৱলীকৰণৰ উদ্দেশ্যেৰে শোণিতপুৰ জিলাত ৩০ হাজাৰ ৬৫৫ গৰাকী মহিলালৈ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ।

২। ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬ হাজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ অভিযান।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই মাহৰ শেষভাগত গুৱাহাটী আৰু কলকাতাৰ মাজৰ বন্দে ভাৰত শ্লীপাৰ সেৱাৰ উদ্বোধনৰ সম্ভাৱনা।

৪। গুৱাহাটীৰ অসম গ্ৰন্থমেলাৰ প্ৰথম ৯ দিনত ৪ কোটি ৭০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী।

**আৰু**

৫। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰৰ বিশেষ চৰকাৰী অধিবক্তা নিযুক্তিৰ ঘোষণা।

০০০০০০

মহিলা সৱলীকৰণৰ দিশত উল্লেখনীয় পদক্ষেপ হিচাপে শোণিতপুৰ জিলাৰ বৰচলা বিধানসভা সমষ্টিৰ ৩০ হাজাৰ ৬৫৫ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হ'ব। বৰচলাৰ ঠেলামৰা ঘাটগাঁৱৰ ৰাজহুৱা খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে বৰচলাৰ বিধায়ক গণেশ কুমাৰ লিম্বু উপস্থিত থাকিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানতে ৩৫২ কোটি টকা ব্যয় সাপেক্ষে জিলাখনৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ড০ শৰ্মাই ১১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা সৰকাই মিনি ষ্টেডিয়াম উদ্বোধন কৰিব। তেওঁ লগতে তেজপুৰ চিকিৎসা মহাবিদ্যালয় চৌহদত ছুপাৰ স্পেচিয়েলিটি হাস্পতাল আৰু শোণিতপুৰৰ নিজ-বিহগুৰিত  কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিগত পাঁচ বছৰত অসম এখন আন্দোলন আৰু সন্ত্ৰাসজৰ্জৰ ৰাজ্যৰ পৰা দেশৰ দ্ৰুত বিকশিত ৰাজ্যত পৰিণত হোৱা বুলি মন্তব্য কৰিছে। প্ৰতিবছৰৰ দৰে ইংৰাজী নৱবৰ্ষ উপলক্ষে ৰাজ্যখনৰ বিশিষ্ট সাংবাদিকসকলৰ সৈতে 'নতুন দিনৰ আলাপ' শীৰ্ষক সংবাদমেলত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২০২০ৰ পৰা ২০২৫ চনলৈ অসমৰ বিকাশৰ হাৰ ৪৫ শতাংশলৈ বৃদ্ধি পাইছে। ৰাজ্যখনত জনমূৰি আয় ৫৪ শতাংশ বৃদ্ধি পোৱাৰ লগতে বিগত সময়ছোৱাত ৰাজহো ৫৩ শতাংশ হাৰত বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

নুমলীগড় আৰু গহপুৰৰ মাজত ব্ৰহ্মপুত্ৰৰ তলীৰে নিৰ্মাণ হ'বলগীয়া চাৰিলেনযুক্ত টুইন টিউব টানেলটোত দুটা লেনযুক্ত ৰে'লপথ সংযোজন কৰাত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে বুলিও মুখ্যমন্ত্ৰীয়ে কালি সংবাদমেলত

উল্লেখ কৰে। তেওঁ লগতে অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙাত এলিভেটেড কৰিড’ৰৰো আধাৰশিলা স্থাপন কৰিব বুলি ঘোষণা কৰে।

**বাইট (চি এম)**

১২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ উত্তৰ-পূৰ্বাঞ্চলৰ এই প্ৰথমটো নদী সুৰংগ নিৰ্মাণ হৈ উঠিলে নুমলীগড়ৰৰ পৰা গহপুৰৰ মাজৰ ২৪০ কিলোমিটাৰ দৈৰ্ঘ্য কেৰল ৩৫ কিলোমিটাৰ হ’বগৈ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ পাছতেই অসমে দেশৰ প্ৰথম ৰাজ্য হিচাপে অসম চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠন কৰিব। অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাস দাসৰ নেতৃত্বত গঠন হ’বলগীয়া এই দৰমহা আয়োগ সম্পৰ্কত জানুৱাৰীৰ প্ৰথম সপ্তাহতে অধিসূচনা জাৰি কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদমেলত সদৰি কৰে।

সৌৰশক্তি উৎপাদনৰ ক্ষেত্ৰত অসমে উল্লেখনীয় অগ্ৰগতি লাভ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে পৰৱৰ্তী ডেৰ মাহৰ ভিতৰতে ৰাজ্যখনত অতিৰিক্ত ৩৫০ মেগাৱাট সৌৰশক্তি উৎপাদন কৰা হ’ব আৰু ইয়াক গ্ৰীডত সংযুক্ত কৰা হ’ব। পাঁচটা জলবিদ্যুৎ প্ৰকল্পত দিনৰ ভাগত সৌৰশক্তিচালিত পাম্পেৰে জলৰাশি উত্তোলন কৰি নিশাৰ ভাগত এই জলৰাশিৰে টাৰ্বাইনৰ সহায়ত বিদ্যুৎ শক্তি উৎপাদনৰ এটা অভিনৱ আঁচনিৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

নতুন বছৰটোত চৰকাৰে বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকললৈ প্ৰদান কৰিবলগীয়া সুবিধাসমূহৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে কালিৰ সংবাদমেলত প্ৰকাশ কৰে। দেশৰ ভিতৰতে চৰকাৰী খণ্ডত অসমত প্ৰথমটো কৰ্কট ৰোগৰ প্ৰটন থেৰাপী মেচিন স্থাপন কৰা হ’ব বুলিও তেওঁ জানিবলৈ দিয়ে।

ৰাজ্যৰ শিক্ষাখণ্ডত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ভালেখিনি কম হৈছে বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে উচ্চ মাধ্যমিকত আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ হাৰ পূৰ্বৰ ৩০ শতাংশৰ পৰা বৰ্তমান ১৭ দশমিক ৫ শতাংশলৈ হ্ৰাস পাইছে।

ডঃ শৰ্মাই ছুইজাৰলেণ্ডৰ ডাভ’ছত হ’বলগীয়া বিশ্ব অৰ্থনৈতিক মঞ্চত এইবাৰ দেশৰ উন্নত দুখন ৰাজ্য মহাৰাষ্ট্ৰ আৰু অন্ধ্ৰপ্ৰদেশৰ লগতে অসমক পোনপ্ৰথমবাৰৰ বাবে আমন্ত্ৰণ জনোৱাটো গৌৰৱৰ কথা বুলিও অভিহিত কৰে।

০০০০০০

হোজাই জিলা প্ৰশাসনে আজি ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ৬ হাজাৰ বিঘা ভূমিত উচ্ছেদ চলাইছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰে।

এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ১৭০টা পৰিয়ালৰ ভিতৰত এহেজাৰ ১৮টা পৰিয়ালক উচ্ছেদ কৰা হ’ব। বাকী ১৫২টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপিছে। ইপিনে উচ্ছেদৰ জাননী লাভ কৰাৰ পাছতে স্থানীয় বিধায়কসহ একাংশই ভূমিহীনসকলক পুনৰ সংস্থাপনৰ দাবী জনাই জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই মাহৰ শেষভাগত গুৱাহাটী আৰু কলকাতাৰ মাজৰ বহু প্ৰত্যাশিত বন্দে ভাৰত শ্লীপাৰ সেৱাৰ উদ্বোধন কৰিব। ৰে’লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে পৰৱৰ্তী ১৫-২০ দিনৰ ভিতৰত ১৮ বা ১৯ জানুৱাৰীত এই ৰে’লসেৱা মুকলি কৰা হ’ব।

বাইট

মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰীক ইতিমধ্যে এই ৰে’লসেৱা মুকলি কৰাৰ বাবে অনুৰোধ জনোৱা হৈছে আৰু সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। তেওঁ লগতে দুই-এদিনতে এই ৰে’লসেৱা মুকলিৰ নিশ্চিত দিন ঘোষণা কৰা হ’ব

বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে ৮২৩ গৰাকী যাত্ৰী কঢ়িয়াব পৰা ১৬ টা দবাৰ এই ৰে'লগাড়ীখনৰ গতিবেগ প্ৰতিঘণ্টাত ১৮০ কিলোমিটাৰ যদিও পাৰিপাৰ্শ্বিক কাৰণত অসম আৰু পশ্চিমবংগৰ মাজত প্ৰতিঘণ্টাত ১২০ৰ পৰা ১৩০ কিলোমিটাৰ বেগেৰেহে চলাচল কৰিব। এই ৰে'ল সেৱাৰ উদ্বোধনক দেশৰ বাবে গুৰুত্বপূৰ্ণ মাইলৰ খুটি বুলি অভিহিত কৰি শ্ৰী বৈষ্ণৱে কয়, যে বন্দে ভাৰত শ্লিপাৰ ৰে'লগাড়ীৰ ভাৰা বিমান ভাৰাতকৈ যথেষ্ট কম হ'ব।

বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ীৰ শীতোতাপ নিয়ন্ত্ৰিত তৃতীয় বৰ্গৰ ভাৰা প্ৰায় দুহেজাৰ ৩০০ টকা, দ্বিতীয় বৰ্গৰ ৩,০০০ টকা আৰু প্ৰথম বৰ্গৰ ভাৰা প্ৰায় ৩ হাজাৰ ৬০০ টকা হ'ব। ইয়াৰ ভিতৰত খাদ্যৰ মূল্যও অন্তৰ্ভুক্ত হৈ আছে।

উল্লেখযোগ্য যে ২০২৩ চনত প্ৰৱৰ্তন কৰা ভাৰতীয় ৰে'লৰ নৱতম সংযোজন বন্দে ভাৰত ৰে'ল সেৱা এতিয়ালৈকে দিনৰ ভাগতহে চলাচল কৰিছিল। ৰে'ল মন্ত্ৰালয়ে ইতিমধ্যে নিশাৰ ভাগত চলাচল কৰিব পৰা বন্দে ভাৰত শ্লীপাৰ সেৱাৰ স্পীড ট্ৰায়েল সম্পন্ন কৰিছে আৰু এই ট্ৰায়েলত ৰে'লগাড়ীখনে ঘণ্টাৰ সৰ্বোচ্চ ১৮০ কিলোমিটাৰৰ গতিবেগ অতিক্ৰম কৰিছে।

০০০০০০

ইংৰাজী নৱবৰ্ষৰ কালি পহিলা দিনটোত অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত অসম গ্ৰন্থ মেলাত গ্ৰন্থপ্ৰেমীৰ বিপুল সমাগম দেখা যায়। বিগত ৯ দিনত অসম গ্ৰন্থমেলাত ৪ কোটি ৭০ লাখ টকাৰ গ্ৰন্থ বিক্ৰী হোৱা বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। যোৱা ২৪ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা গ্ৰন্থমেলাৰ প্ৰতি গ্ৰন্থপ্ৰেমীয়ে আশাব্যঞ্জক সঁহাৰি আগবঢ়াইছে বুলি অসম প্ৰকাশন পৰিষদৰ লগতে অন্যান্য পুথি বিক্ৰেতাসকলে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে ২০২৫-২৬ বৰ্ষক ৰাজ্য চৰকাৰে গ্ৰন্থবৰ্ষ হিচাপে অভিহিত কৰি অসমৰ বিভিন্ন ঠাইত অসম গ্ৰন্থমেলাৰ আয়োজন কৰিছে। গুৱাহাটীত আয়োজিত অসম গ্ৰন্থমেলাৰ আজি দশম দিনা, বিয়লি প্ৰকাশন পৰিষদৰ জুবিন গাৰ্গ সোঁৱৰণি অস্থায়ী প্ৰেক্ষাগৃহত সাহিত্য আলচ শীৰ্ষক এখন লেখক-পাঠক সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহ জ্যেষ্ঠ আৰক্ষী বিষয়া আৰু বিশিষ্ট লেখক নোমল মাহাত্তাই উদ্বোধন কৰিব। অসমীয়া প্ৰতিদিন কাকতৰ মুখ্য সহযোগী সম্পাদক অচ্যুৎ কুমাৰ পাটোৱাৰীয়ে অনুষ্ঠানটো সঞ্চালনা কৰিব।

গ্ৰন্থমেলাথলীত কালি বিয়লি 'গল্পগাঁথা' শীৰ্ষক গল্পৰ এটা সৃষ্টিশীল আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই অনুষ্ঠান বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ ধ্ৰুৱজ্যোতি বৰাই উদ্বোধন কৰে।

বিশিষ্ট গল্পকাৰ, কবি অতনু ভট্টাচাৰ্যই পৰিচালনা কৰা অনুষ্ঠানটিত গল্পকাৰ অপূৰ্ব কুমাৰ শইকীয়া, প্ৰশান্ত কুমাৰ দাস, শিৱানন্দ কাকতি, বিতোপন বৰবৰা, অপু ভৰদ্বাজ, মনস্বিনী ৰুণুমী মহন্ত প্ৰমুখ্যে ভালেসংখ্যক লেখক-লেখিকাই অংশগ্ৰহণ কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্তৰ বাবে ৰাজ্য চৰকাৰে বিশেষ চৰকাৰী অধিবক্তা নিযুক্তি দিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিনৰ আলাপ শীৰ্ষক এটা অনুষ্ঠানত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে ২০২৫ বৰ্ষত জুবিনৰ দৰে মহান শিল্পী এগৰাকীক হেৰুওৱাটো জাতিৰ বাবে দুৰ্ভাগ্যৰ বিষয়। জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত আৰক্ষীয়ে তিনি মাহৰ ভিতৰত সমগ্ৰ ঘটনাৰ তদন্ত কৰি আদালতত অভিযোগনামা দাখিল কৰাটো নিশ্চিতভাৱে এটা উল্লেখযোগ্য বিষয় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় যাতে নিৰ্দিষ্ট সময়ৰ ভিতৰত লাভ কৰিব পৰা যায় তাৰ বাবে চৰকাৰে অহা ১২ জানুৱাৰীৰ পৰা এজন বিশেষ চৰকাৰী অধিবক্তা নিয়োগ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ইয়াৰ বাবে গুৱাহাটীৰ কেইবাগৰাকী জ্যেষ্ঠ অধিবক্তাৰ সৈতে আলোচনা কৰা হৈছে আৰু অহা ৬ জানুৱাৰীৰ ভিতৰত বিশেষ চৰকাৰী অধিবক্তাজনৰ নাম ঘোষণা কৰা হ'ব।

চৰকাৰী অধিবক্তা নিযুক্তিৰ পাছতে চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক কেৱল জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিচাৰৰ বাবে এখন বিশেষ আদালত গঠন কৰিবলৈ আবেদন জনাব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে।

০০০০০০

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ অধ্যাপক অমৰেন্দ্ৰ কুমাৰ দাসক কেন্দ্ৰীয় চৰকাৰে তেজপুৰ বিশ্ববিদ্যালয়ৰ সম-উপাচাৰ্য হিচাপে নিযুক্তি দিছে। বিগত তিনিমাহ ধৰি বিশ্ববিদ্যালয়খনত উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে কেন্দ্ৰীয় চৰকাৰে এখন উচ্চ পৰ্যায়ৰ তদন্ত সমিতিও গঠন কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ উপ-সচিব জয়ফুল জেদ খাৰজাৰলে স্বাক্ষৰ কৰা দুটা নিৰ্দেশনাত এই সিদ্ধান্তৰ বিষয়ে প্ৰকাশ কৰা হয়। ১৯৯৩ চনৰ তেজপুৰ বিশ্ববিদ্যালয় আইনৰ ৯ নম্বৰ দফাৰ অধীনত গঠন কৰা তদন্ত সমিতিখনৰ অধ্যক্ষ হিচাপে মণিপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য এন লোকেন্দ্ৰ সিঙক নিয়োগ কৰা হৈছে। শ্ৰী সিঙৰ লগতে নাগালেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জগদীশ কুমাৰ পাটনায়ক আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ সচিব মণিষ আৰ যোশীক সমিতিত সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। তদন্ত সম্পূৰ্ণ নোহোৱালৈকে তেজপুৰ বিশ্ববিদ্যালয়ৰ বিতৰ্কিত উপাচাৰ্যগৰাকীক ছুটীত যাবলৈ কোৱা হৈছে।

০০০০০০

## *News Paper REV*

দেশৰ ভিতৰত প্ৰথমখন ৰাজ্য হিচাপে অসমত অষ্টম দৰমহা আয়োগ গঠন, তেজপুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যক বাধ্যতামূলক ছুটী, কংগ্ৰেছৰ ১০০ টা সমষ্টিৰ বাবে আবেদন মুকলি আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

বিধানসভা নিৰ্বাচনত এইবাৰ কংগ্ৰেছে ১২৬ টা সমষ্টিৰ ভিতৰত ১০০ টা সমষ্টিতে প্ৰাৰ্থী দিব বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপ প্ৰকাশ কৰিছে।

ৰাজ্যৰ ৩৭ লাখৰো অধিক মহিলাক অৰুণোদয় আঁচনিৰ অধীনত অহা ফেব্ৰুৱাৰীত আঠ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ এটা বাতৰি আমাৰ অসম কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতেও বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

২০২৭ চনৰ ১৫ আগষ্টৰ পৰা দেশত পৰ্যায়ক্ৰমে বুলেট ট্ৰেইন চলিব বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। ছুৰাটৰ পৰা বিলিমোৰাৰ মাজত প্ৰথম বুলেট ট্ৰেইন চলাচল আৰম্ভ হ'ব। এই বাতৰিটো দৈনিক অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণ, ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত ছীল আৰু অবৈধ প্ৰব্ৰজনকাৰীৰ সমস্যা সমাধানৰ সংকল্পৰ ক্ষেত্ৰত চৰকাৰে এতিয়া প্ৰতিশ্ৰুতিৰ পৰিৱৰ্তে কাৰ্যকৰী ব্যৱস্থা ল'ব লাগে বুলি সদৌ অসম ছাত্ৰ সন্থাই দাবী জনোৱাৰ এটা বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ভাৰতীয় ৰিজাৰ্ভ বেংকে বিগত পাঁচ বছৰত অসম দেশৰ দ্ৰুত বিকশিত অৰ্থনীতিত পৰিণত হোৱা বুলি তথ্য প্ৰকাশৰ এটা বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেদৰে পাঁচ বছৰত ৰাজ্যৰ জনমুৰি আয় ৫৪ শতাংশ বৃদ্ধি পোৱা বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ

প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ কিছু ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। সামগ্ৰিকভাৱে অসম, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয়, অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ বতৰ ফৰকাল থাকিব। মেঘালয়ৰ ঠাই বিশেষে তুষাৰপাতৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**